অধ্যায় ১ ঃ অসমীয়া লিপি আৰু শাসন অধ্যয়ন — ১

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ লিপিৰ ধাৰণা

১.৪ ভাৰতীয় লিপি

১.৪.১ খৰোষ্ঠী লিপি

১.৪.২ ব্রাহ্মী লিপি

১.৫ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ

১.৬ অসমীয়া লিপিৰ যুগ বিভাজন

১.৬.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লিপিৰ সূত্র নির্ণয় কৰিব পাৰিব
- প্রাচীন ভাৰতীয় লিপি— খৰোষ্ঠী আৰু ব্রাহ্মীৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- ব্রাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ কেনেদৰে হৈছে সেয়া বর্ণনা কৰিব পাৰিব
- অসমীয়া লিপিৰ যুগ বিভাজন কৰি পুৰণি অসমীয়া লিপি বা কামৰূপী লিপিৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব।

১.২ পৰিচয়

চাৰি বছৰীয়া অসমীয়া স্নাতক পাঠ্যক্রমৰ প্রথমখন পাঠ্যবিষয়ৰ এইটো প্রথম অধ্যায়। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশৰ লগত পৰিচয় হোৱাৰ পূর্বে আপোনাক লিপিৰ সৈতে পৰিচয় কৰাই ল'ব বিচাৰিছোঁ। এই অধ্যায়টিয়ে আপোনাক অসমীয়া লিপিৰ লগত পৰিচয় কৰাব। অধ্যায়টিৰ আৰম্ভণিতে লিপি কাক বোলে, ইয়াৰ সৃষ্টি আৰু বিকাশ কেনেদৰে হ'ল সেই

সম্পর্কে আলোচনা কৰা হৈছে। ইয়াৰ লগতে প্ৰাচীন ভাৰতীয় লিপি সম্পর্কেও কিছু কথা উল্লেখ কৰা হৈছে। প্ৰাচীন ভাৰতৰ প্ৰধান বৈশিষ্ট্যপূৰ্ণ লিপি ব্ৰাহ্মীৰপৰা কালক্ৰমত পুৰণি অসমীয়া লিপি বিকশিত হৈ পৰৱৰ্তী কাললৈ গতি কৰিছিল সেই বিষয়ে বিশদভাৱে ব্যাখ্যা কৰা হৈছে।

ইয়াত পুৰণি অসমীয়া লিপিৰ বিষয়েও বহলাই আলোচনা কৰা হৈছে। অধ্যায়টিৰ অধ্যয়নে আপোনাক লিপি আৰু অসমীয়া লিপিৰ ইতিহাসৰ সামগ্ৰিক জ্ঞান প্ৰদান কৰিব।

১.৩ লিপিৰ ধাৰণা

মানুহে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখা-চিত্ৰৰ সহায়ত ৰূপ দিয়া হয় তাৰ নামেই লিপি। প্ৰাচীন ভাৰততে ধাতুৰে নিৰ্মিত জোঙাল মুখৰ কলমৰ সহায়ত ভূৰ্জপত্ৰ, তালপাত আদিত দাগ কাটি তাৰ ওপৰত চিয়াঁহী লেপি দিয়া হৈছিল। এনেধৰণে চিয়াঁহী লেপন কৰা কাৰ্যৰ পৰাই লিপি শব্দৰ উৎপত্তি হৈছে।

খ্ৰীঃ পূঃ ছয় হাজাৰ বছৰমানত লিপিৰ প্ৰাৰম্ভিক বিকাশ হোৱা বুলি পণ্ডিতসকলে অনুমান কৰিছে। আদিম মানৱে নিজৰ বয়বস্তু চিনি পাবৰ বাবে সেইবোৰত কিছুমান দাগ দি লৈছিল; পৰ্বত-পাহাৰৰ গাঁত, প্ৰকাণ্ড শিলত সদায় দেখা গছ-লতা, জীৱ-জন্তুৰ ছবি আঁকিবলৈ চেষ্টা কৰিছিল; পাহৰি নাযাবলৈ ৰছী বা গছৰ বাকলি আদিত গাঁথি দি থৈছিল। এয়াই হৈছে লিপি সৃষ্টিৰ আৰম্ভণী স্তৰ। এই সময়ত বিন্দু, সৰলৰেখা, বক্ৰৰেখা, পূৰণ চিন, বৃত্ত, বিবিধ চিত্ৰ ইত্যাদি প্ৰতীক চিহ্ন আঁকি ভাব প্ৰকাশ কৰা হৈছিল। পাছলৈ এইবোৰ প্ৰতীক চিহ্নৰ বিৱৰ্তনৰ ফলতে লিপিৰ সৃষ্টি হ'ল।

লিপিৰ বিকাশক প্ৰধানকৈ ছটা ভাগত ভাগ কৰা হয়; যথা — চিত্ৰ-লিপি, সূত্ৰ লিপি, প্ৰতীকাত্মক লিপি, ভাবমূলক লিপি, ভাবধ্বনিমূলক লিপি আৰু ধ্বনিমূলক লিপি। চিত্ৰলিপিয়েই হ'ল লেখন কলাৰ প্ৰথম স্তৰ। চিত্ৰলিপিৰ পৰা ক্ৰমবিৱৰ্তনৰ মাজেৰে ধ্বনিমূলক লিপিৰ সৃষ্টি হৈছে। ধ্বনিমূলক লিপি হ'ল লিপিৰ পূৰ্ণবিকশিত ৰূপ। ধ্বনিমূলক লিপিত কোনো চিহ্নই কোনো এটা ধ্বনিৰ কথা সূচায়। সেই ধ্বনিৰ সহায়ত কোনো বস্তু বা ভাব প্ৰকাশ কৰা হয়। আপুনি মন কৰিব যে "জগতৰ প্ৰত্যেক ভাষাতে অসংখ্য নহ'লেও শতাধিক ধ্বনিৰ উচ্চাৰণ হয়। ধ্বনিবোৰৰ প্ৰত্যেকৰে উচ্চাৰণ বৈশিষ্ট্য ৰক্ষা কৰি যিবোৰ প্ৰতীক বা আখৰ লোৱা হয় সেয়ে ধ্বনিমূলক আখৰ; এই আখৰৰ সমষ্টিয়েই ধ্বনিলিপি।" বৰ্তমান কালত এই ধ্বনিলিপিয়ে পৃথিৱীৰ সকলো ভাষাৰ পৰাই সমাদৰ লাভ কৰিছে। গতিকে আমি ক'ব পাৰোঁ যে লিপি-কলা প্ৰয়োজন অনুসৰি সৃষ্টি কৰি লোৱা 'মানুহৰ এক আচৰিত ক্ষমতাৰ সূচক'।



জানি থোৱা ভাল

পৃথিৱীৰ প্ৰাচীন লিপিবোৰক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি—
(১) অক্ষৰ বা বৰ্ণ নথকা লিপি, যেনে— চীনা বা বাণমুখ লিপি আৰু
(২) অক্ষৰ বা বৰ্ণ থকা লিপি, যেনে— অসমীয়া, দেৱনাগৰী, ৰোমান

আদি। ক্যুনিফর্ম (কীলাক্ষৰ) বা বাণমুখ-লিপি বিশ্বৰ প্ৰাচীনতম লিপি। ইয়াৰ প্ৰাচীনতম নিদৰ্শন খ্ৰীঃ পূঃ ৪০০০ বছৰৰ আশে-পাশে পোৱা যায় বুলি পণ্ডিতসকলে অভিমত দিছে।

১.৪ ভাৰতীয় লিপি

অতি প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত লিপিৰ প্ৰচলন আছিল। খ্ৰীষ্টজন্মৰ বহুবছৰ পূৰ্বৰে পৰা এই দেশৰ লেখন কলাই স্বাধীনভাৱে বিকাশৰ সুযোগ পায়। ভাৰতীয় লিপিৰ ক্ৰমবিকাশৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় লিপিমালাই প্ৰধানতঃ দুটা শাখাৰ মাজেৰে বিকাশ লাভ কৰিছিল। সেয়া হৈছে — (১) খৰোষ্ঠী লিপি আৰু (২) ব্ৰাহ্মী লিপি। ইয়াৰে খৰোষ্ঠী ভাৰতৰ উত্তৰ-পশ্চিমাঞ্চলত আৰু ব্ৰাহ্মী আনবোৰ অঞ্চলত বহুলভাৱে ব্যৱহৃত হৈছিল।

১.৪.১ খৰোষ্ঠী লিপি

সম্ৰাট অশোকৰ ***শাসন***সমূহত যি চাৰিপ্ৰকাৰৰ লিপি ব্যৱহাৰ হৈছিল তাৰ ভিতৰত খৰোষ্ঠী অন্যতম। আন তিনিবিধ হ'ল আৰামীয়, গ্ৰীক আৰু ব্ৰাহ্মী। পাকিস্তানৰ মানসেহ্ৰা আৰু শাহ্বাজগঢ়ী নামে ঠাইত খৰোষ্ঠী লিপিত লিখা চৈধ্যখনি ধৰ্মলিপি উদ্ধাৰ হৈছে। এতিয়ালৈকে উদ্ধাৰ হোৱা লিপিৰ ভিতৰত এয়াই খৰোষ্ঠী লিপিৰ প্ৰাচীনতম নিদৰ্শন। এই অনুশাসনকেইখন সম্ৰাট অশোকৰ দিনত লিখিত। অশোকৰ পাছত ভাৰত-যৱন, শক, কুশান আদি ৰজাসকলে খৰোষ্ঠী লিপি ব্যৱহাৰ কৰে। খ্ৰীষ্টজন্মৰ ৩০০ মান বছৰৰ পাছত ভাৰতবৰ্ষত এই লিপিৰ প্ৰয়োগ নোহোৱা হৈ পৰে। এই লিপিক খৰোষ্ঠী বোলাৰ কেইবাটাও কাৰণ আছে। সেয়া এনেধৰণৰ —

- গাধৰ ছালত এই লিপি লিখাৰ আৰম্ভণি হয় বাবে গাধৰ ছাল অৰ্থাৎ 'খৰপৃষ্ঠী'ৰপৰা খৰোষ্ঠী হৈছে।
- গাধ বা 'খৰ' ওঁঠৰ নিচিনা হোৱাৰ বাবে (খৰ + ওষ্ঠ + ঈ) ইয়াৰ নাম খৰোষ্ঠী।
- হিব্ৰুভাষাত 'খৰোশেথ' নামৰ এটি শব্দ আছে। শব্দটিৰ অৰ্থ খোদাই কৰা বা লিখা। সুনীতি কুমাৰ চট্টোপাধ্যায়ে অনুমান কৰে যে হিব্ৰু 'খৰোশেথ' শব্দটোৱেই সংস্কৃতত খৰোষ্ঠীলৈ পৰিৱৰ্তিত হয়।

খৰোষ্ঠী লিপিৰ উৎপত্তি সম্বন্ধে মতভেদ থকা দেখা যায়। কিছুসংখ্যক পণ্ডিতে ইয়াক শুদ্ধ ভাৰতীয় লিপি বুলি ক'ব খোজে যদিও কিছুসংখ্যকে কিন্তু এই কথাৰ বিৰোধিতা কৰে। পুৰালিপিতত্ত্ববিদ বুহলৰ, টেলৰ, জোচেফ হলেভী আদিৰ মতে 'খৰোষ্ঠী' আৰামীয় লিপিৰ সৈতে ঘনিষ্ঠভাৱে সম্পৰ্কিত। অনুমান কৰা হৈছে যে খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকামানতে এই লিপিয়ে বিকাশ লাভ কৰে।

খৰোষ্ঠী লিপি প্ৰথমতে সোঁফালৰ পৰা বাওঁফাললৈ লিখাৰ নিয়ম আছিল।



শাসন ঃ ৰজাসকলে নিজৰ ৰাজকীয় কথা, বাণী, বিজয় সংবাদ বা নীতিকথা আদি শিল, তামৰ ফলি আদিত লিপিবদ্ধ কৰিছিল। এইবোৰকে শাসন বোলা হয়। যেনে — শৈলশাসন, তাম্ৰশাসন ইত্যাদি।

পাছলৈ কিন্তু বাওঁফালৰপৰা সোঁফাললৈ লিখা নিয়ম চলিল। এই লিপি অত্যন্ত ঘঁহাই লিখা হয়। খৰোষ্ঠী লিপিক পূৰ্ণলিপি বুলি ধৰা নহয়। ইয়াত দীৰ্ঘস্বৰ পোৱা নাযায়। সংযুক্ত ব্যঞ্জনৰ সংখ্যাও কম। হ্ৰস্বস্বৰ বুজাবলৈ বৃত্ত আৰু বিভিন্ন ৰেখাৰ প্ৰয়োগ কৰা হয়। বৰ্তমান কালৰ ভাৰতীয় লিপিৰ অধ্যয়নৰ বাবে খৰোষ্ঠী লিপিৰ বিশেষ মহত্ত্ব নাই বুলিয়েই ধৰা হয়।

১.৪.২ ব্ৰাহ্মী লিপি

ব্ৰাহ্মী প্ৰাচীন ভাৰতৰ এটা উল্লেখযোগ্য লিপি। এই লিপিৰ প্ৰাচীনতম নিদৰ্শন নেপালৰ 'পিপৰাৱা স্তূপ' আৰু আজমিৰ জিলাৰ 'বডলী' গাঁৱৰ শিলালেখত পোৱা হৈছে। ইয়াৰ সময় খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকা বুলি ধৰা হৈছে। সেই সময়ৰপৰা তিনিশ পঞ্চাশ খ্ৰীষ্টাব্দলৈকে এই লিপিৰ ব্যৱহাৰ পোৱা যায়। লিপিটোৰ নাম ব্ৰাহ্মী কেনেকৈ হ'ল সেই বিষয়েও নানা মত পোৱা যায়। ভাৰতীয় ধাৰণামতে এই লিপি ভাৰতৰ নিজা সমল তথা স্বয়ং ব্ৰহ্মা ইয়াৰ নিৰ্মাতা। সেই হেতু ইয়াৰ নাম ব্ৰাহ্মী। চীনা বিশ্বকোষ *ফা-ৱান-শু-লিন* মতেও ব্ৰহ্মাই (ফান্) পোন প্ৰথমে এই লিপি ব্যৱহাৰ কৰাৰ কাৰণে ইয়াৰ নাম ব্ৰাহ্মী হয়। ব্ৰহ্ম বা ব্ৰহ্মা নামৰ কোনো আচাৰ্যই উলিওৱা বাবে ব্ৰাহ্মী হোৱা বুলিও মন্তব্য পোৱা যায়। ব্ৰহ্ম (জ্ঞান)ৰ ৰক্ষাৰ কাৰণে ব্যৱহাৰ হোৱা বাবে ব্ৰাহ্মী বুলি কোৱা হ'ল— এনে মতো আছে। এই আটাইবোৰ মত কেৱল অনুমানৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা।

ব্ৰাহ্মী লিপিৰ উৎপত্তিৰ বিষয়েও দেশী-বিদেশী নানা পণ্ডিতে নানা মত প্ৰকাশ কৰিছে। সেইবোৰৰ ভিতৰত দুই ধৰণৰ মত পোৱা যায়। এক শ্ৰেণীৰ মত অনুসৰি কোনো বিদেশী লিপিৰ পৰা ব্ৰাহ্মীৰ উদ্ভৱ হৈছে। আন শ্ৰেণী লোকৰ মত অনুসৰি ব্ৰাহ্মীৰ উৎপত্তি ভাৰতবৰ্ষতে হৈছে। আটফ্ৰেড ম্যুলাৰে (Otfried Mueller) আলেকজেণ্ডাৰৰ আক্ৰমণৰ ফলস্বৰূপেই ভাৰতবৰ্ষত লেখন প্ৰথাই খোপনি পোতে বুলি স্পষ্টভাৱে মত প্ৰকাশ কৰিছে। এওঁৰ মতে ব্ৰাহ্মী ভাৰতৰ বাহিৰৰ লিপি। এচাম পাশ্চাত্য পণ্ডিতে ছেমীয় লিপিৰ আধাৰত ব্ৰাহ্মী লিপি বিকাশ হোৱা বুলি ভাবে। আনহাতে এফ. মেচনে (F. Mason) কয় যে খ্ৰীষ্টজন্মৰ ছয় শতাব্দী পূৰ্বেই ভাৰতীয় বৰ্ণমালাৰ সৃষ্টি হৈছিল আৰু গৌতম বুদ্ধৰ জন্মৰ আগেয়ে তাৰ বহুল প্ৰয়োগ আছিল। সেইদৰে ভাষাতত্ত্ববিদ জন বিমেও (J. Beam) ব্ৰাহ্মী লিপিৰ উৎপত্তি আৰু বিকাশ ভাৰতবৰ্ষতে হোৱা বুলি ভাবে।

ভাৰতীয় ব্ৰাহ্মী লিপিৰ উৎস বিচাৰি ***সিন্ধুলিপিৰ*** ওচৰ চাপিলে ভালেখিনি সমস্যা কমি যায়। সিন্ধুলিপি চিত্ৰলিপি, ভাবলিপি আৰু ভাবধ্বনিমূলক লিপিৰ সমাহাৰ। এই সিন্ধুলিপিৰ পৰাই কালক্ৰমত ব্ৰাহ্মীৰ বিকাশ হোৱাৰ সম্ভাৱনা বেছি। ভোলানাথ তিৰাৰীয়ে ১৯৫৫ চনতে সিন্ধুলিপিৰ দহটা চিহ্নৰে ব্ৰাহ্মীৰ দহোটা আখৰৰ হুবহু মিল দেখুৱাই ব্ৰাহ্মী লিপি যে সিন্ধুলিপিৰেই পৰৱৰ্তী স্তৰ সেই কথা প্ৰতিপন্ন কৰে। হৰদেৱ



সিন্ধুলিপি ঃ ভাৰতবৰ্ষৰ প্ৰাচীনতম লেখন কলাৰ সম্ভেদ প্ৰাক্-বৈদিক যুগৰ সিন্ধু সভ্যতাই আমাক দিয়ে। সিন্ধু লিপি এই সময়ৰে লিপি।

বাহৰীয়ে তেওঁৰ *হিন্দী ঃ উদ্ভৱ, বিকাশ ঔৰ ৰূপ* নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে "বৈদিক সাহিত্যৰ ৰক্ষাৰ কাৰণে ভাৰতত ব্ৰাহ্মী লিপিৰ উৎপত্তি অতি প্ৰাচীন কালতে হয়। যিসকল আচাৰ্য ধ্বনিশাস্ত্ৰ, ব্যাকৰণ আৰু শব্দ-বিজ্ঞান বিষয়ত বিশ্বৰ অগ্ৰণী আছিল, তেওঁলোকেই ইয়াৰ আৱিষ্কাৰক।"

৩৫০ খ্ৰীষ্টাব্দৰ পাছত ব্ৰাহ্মী দুটা ভাগত বিভক্ত হয়— (১) উত্তৰ ব্ৰাহ্মী আৰু (২) দক্ষিণ ব্ৰাহ্মী। ইয়াৰে উত্তৰ ব্ৰাহ্মী উত্তৰ ভাৰতত আৰু দক্ষিণ ব্ৰাহ্মী দক্ষিণ ভাৰতত প্ৰচলিত হয়। ব্ৰাহ্মীৰ উত্তৰ শৈলীৰপৰা গুপ্ত লিপিৰ উদ্ভৱ হয়। গুপ্ত লিপিৰ সময় চতুৰ্থ-পঞ্চম শতিকা। এই গুপ্তলিপিৰ ক্ৰমবিকাশৰ ফলত কুটিল লিপিৰ জন্ম হয়। ইয়াৰ সময়সীমা খ্ৰীঃ ষষ্ঠৰপৰা নৱম শতিকা বুলি অনুমান কৰা হৈছে। এই কুটিল লিপিৰ পৰাই প্ৰায়বোৰ ভাৰতীয় আঞ্চলিক লিপিৰ জন্ম হৈছে। আনহাতে ব্ৰাহ্মীৰ দক্ষিণ শৈলীৰপৰা দক্ষিণ ভাৰতীয় লিপিসমূহ আৰু লগতে ভাৰতৰ বাহিৰৰ, যেনে— শ্ৰীলংকা, ম্যানমাৰ, কোৰিয়া আদি দেশৰ লিপিৰ বিকাশ হৈছে।

ব্ৰাহ্মী লিপি সাধাৰণতে বাওঁফালৰপৰা সোঁফাললৈ লিখা হয়। কুশান নৃপতিসকলৰ দিনত এই লিপিৰ ৰূপৰ ভালেখিনি সালসলনি হয়। ব্ৰাহ্মী লিপিৰ গঢ় সুন্দৰ আৰু সুপৰিকল্পিত। অপ্ৰয়োজনীয় প্ৰতীক চিহ্ন পোৱা নাযায়। কেইবাটাও স্তৰ অতিক্ৰম কৰিহে ই বিকশিত আৰু পৰিৱৰ্তিত হৈছে। প্ৰধানভাৱে ব্ৰাহ্মীৰ বিকাশৰ স্তৰ চাৰিটা—

(১) অশোকৰ অনুশাসনৰ লিপি (২) কুশান যুগৰ লিপি

(৩) গুপ্তযুগৰ লিপি আৰু (৪) প্ৰাচীন আঞ্চলিক লিপিৰ আদি ৰূপ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) উচ্চাৰিত ধ্বনিসমূহক যি প্ৰতীক-চিহ্ন অথবা ৰেখা-চিত্ৰৰ সহায়েৰে ৰূপ দিয়া হয় তাকেই লিপি বুলি অভিহিত কৰা যায়।

(খ) খ্ৰীঃ পূঃ তিনি হাজাৰ বছৰমানত লিপিৰ বিকাশ হৈছিল।

(গ) লিপিৰ পূৰ্ণ বিকশিত ৰূপ হৈছে ভাবমূলক লিপি।

(ঘ) কুটিল লিপিৰ বিকাশ সাধন হৈছে খৰোষ্ঠী লিপিৰ পৰা।

(ঙ) প্ৰধানতঃ ব্ৰাহ্মী লিপিৰ বিকাশৰ স্তৰ চাৰিটা।

.....

প্ৰশ্ন নং ২ ঃ খালি ঠাই পূৰণ কৰক —

(ক) উচ্চাৰিত ধ্বনিসমূহক যি ..... সহায়েৰে ৰূপ দিয়া হয় তাকেই লিপি বোলে।

(খ) লিপিৰ বিকাশক প্ৰধানতঃ ..... ভাগত ভগাব পাৰি।

(গ) খৰোষ্ঠী লিপিয়ে বিকাশ লাভ কৰে .....শতিকামানৰ পৰা।

(ঘ) কুটিল লিপিৰ বিকাশ সাধন হৈছে ..... পৰা।

১.৫ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ

অসমীয়া লিপি পূব ভাৰতৰ এটা বৈশিষ্ট্যপূর্ণ লিপি। অসমীয়া লিপি কেনেদৰে সৃষ্টি হ'ল বা তাৰ আদি ৰূপটো কেনে আছিল সেই বিষয়ে বিভিন্ন লিপি বিশাৰদে অধ্যয়ন কৰিছে। ইয়াৰ বাবে তেওঁলোকে সমল হিচাপে গ্রহণ কৰিছে বিভিন্ন শিলালিপি, তাম্রলিপি, মুদ্রা, মাটি আৰু ধাতুৰ মোহৰ, বৰটোপ, কামান, ৰূপৰ জাপি, ইটা, শৰাই, চূণৰ টেমি, কাঁহী, মন্দিৰ-দেৱালয় আদিত থকা পৌৰাণিক সামগ্রী, তুলাপাত, কাঠৰ ফলক, কাপোৰ আদি। এনে প্রত্নতাত্ত্বিক সমলসমূহকে আধাৰ হিচাপে লৈ বিভিন্ন সময়ত ভিন ভিন গৱেষক-পণ্ডিতে অসমীয়া লিপিৰ ইতিহাস অধ্যয়ন কৰিবলৈ যত্নপৰ হৈছে। সময়ে সময়ে নতুন নতুন সমল আৱিষ্কৃত হোৱাৰ লগে লগে পূর্বৰ ধাৰণাসমূহো নস্যাৎ কৰি নতুন ধাৰণাৰ সৃষ্টি কৰা হৈছে আৰু হয়তো অদূৰ ভৱিষ্যতে নতুন সমল উদ্ধাৰ হ'লে সেয়াও নতুনকৈ লিখা যাব।

অসমীয়া লিপি চর্চাৰ ইতিহাস লক্ষ্য কৰিলে দেখা যায় যে অনা অসমীয়া লিপি গৱেষক ড॰বলহাৰ, গৌৰীশংকৰ হিৰচন্দ ওঝা, ড॰ আহমদ হাসান দানী, ৰাখালদাস বন্দ্যোপাধ্যায় আদিয়ে ভাৰতীয় লিপিমালাৰ বিকাশ তথা বঙলা লিপিৰ বিকাশৰ কথা আলোচনা কৰোঁতে প্রসংগক্রমে অসমীয়া লিপিৰ কথাও কৈছে। কিন্তু কোনেও অসমীয়া লিপিৰ স্বকীয় স্থিতিৰ কথা উল্লেখ কৰা নাই। পৰৱর্তী সময়ত হেমচন্দ্র গোস্বামীৰ *Descriptive Catalogue of Assamese Manuscript(1930)* আৰু পদ্মনাভ ভট্টাচার্যৰ *কামৰূপশাসনাৱলী* (১৯৩২)ত পুৰালিপিতত্ত্বৰ বৈশিষ্ট্যৰ লগতে অসমীয়া লিপি সম্পর্কে কিছু কথা আলোচিত হৈছে। সর্বেশ্বৰ কটকীক অসমীয়া লিপি সম্পর্কে পোনপ্রথমবাৰৰ বাবে বিজ্ঞানসন্মতভাৱে আলোচনা কৰা দেখা যায়। তেওঁ *অসমীয়া প্রাচীন লিপি* (১৯৩৬) শীর্ষক গ্রন্থখনত অসমীয়া লিপিৰ সৃষ্টি সম্পর্কে বিশ্লেষণ কৰিছে। এই পুথিখন ১৯৭৯ চনত পুনৰ প্রকাশ হৈছিল। অৱশ্যে, ইয়াৰ পূর্বে সোণাৰাম চৌধুৰীয়ে অসম সাহিত্য সভাৰ পঞ্চম বুৰঞ্জী অধিৱেশনত সভাপতিৰ আসনৰ পৰা অসমীয়া লিপিৰ উৎপত্তি সম্পর্কে আলোচনা এটি আগবঢ়াইছিল আৰু সেয়া অসম সাহিত্য সভাৰ ভাষণাৱলী, তৃতীয় ভাগত সংকলিত হৈছে। ইয়াৰ পাছৰে পৰা সাহিত্যৰ বিভিন্নজন ইতিহাসকাৰ আৰু লিপি বিশাৰদে ভিন ভিন সময়ত অসমীয়া লিপি সম্পর্কে বিস্তৃত আলোচনা কৰা দেখা যায়।

অসমীয়া লিপি সম্পর্কে কৰা আলোচনাসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁলোকৰ মাজত অসমীয়া লিপিৰ মূল সম্পর্কে মতবিৰোধ আছে। সর্বেশ্বৰ কটকীয়ে অসমীয়া লিপিৰ মূল বিচাৰি গৈ মন্তব্য আগবঢ়াইছে এনেদৰে— "গুপ্ত যুগৰ পূব ভাৰতীয় লিপিৰ পৰিৱর্তন আৰু সংমিশ্রণ ঘটি কুটিল লিপিৰপৰা কামৰূপ লিপি বা অসমীয়া লিপিৰ উৎপত্তি হৈছে।" মন কৰিবলগীয়া যে তেওঁ যি সময়ত এই মন্তব্যটো আগবঢ়াইছিল সেই সময়লৈকে অসমত মাত্র ২১খন ফলি (তাম আৰু শিলৰ) আৱিষ্কৃত হোৱাৰ লগতে পাঠোদ্ধাৰ হৈছিল। এই মতবাদটোৰ সমর্থন কৰিছিল ঠাকুৰ প্রসাদ বর্মা, প্রতাপচন্দ্র চৌধুৰী, মহেশ্বৰ নেওগ, সুনীতি কুমাৰ চেটার্জী, সত্যেন্দ্রনাথ শর্মা আদিৰ দৰে সাহিত্যৰ গৱেষক তথা লিপি বিশাৰদে। পৰৱর্তী সময়ত অসমত

আৱিষ্কৃত কেইবাখনো লিপিয়ে এই ধাৰণাটো নস্যাৎ কৰে। সম্ভৱতঃ ডিম্বেশ্বৰ নেওগেই এই মতটো নাকচ কৰি নতুন ধৰণে চিন্তা আগবঢ়ায়। মন কৰিবলগীয়া যে ডিম্বেশ্বৰ নেওগেও তেওঁৰ *অসমীয়া সাহিত্যৰ ইতিহাস* (১৯৫৭) গ্ৰন্থখনত অসমীয়া লিপিৰ মূল কুটিল লিপি বুলি মানি লৈছিল; কিন্তু পৰৱৰ্তী সময়ত তেওঁ লিখা *Growth of the Asamiya Language Development of the Asamiya Script Pre-Historic and Historic Asam (1964)*ত এটি ভিন্ন মত পোষণ কৰে। এই গ্ৰন্থখনত তেওঁ উল্লেখ কৰিছে—

> When Brahmi Lipi developed into the the Kamrupi and Gupta script co-ordinately, on parallel line, and not one from the other of the two as we may be sure. The script, like the culture of the two different kingdoms, must have run on parallel line, and there is really nothing to show that it was not. Like the old orthodox but erroneous theory ascribing the parenthood of Kamarupa speech to Magadhi, this similarly old and pet theory of Kamarupa script being derived through Gupta and Kautila script is born of imagination but not borne by fact. (p.101)

ডিম্বেশ্বৰ নেওগৰ মতটো যে সকলোৱে গ্ৰহণ কৰিছিল সেয়াও নহয়। সেই কথাৰ উদাহৰণ হিচাপে উপেন্দ্ৰ নাথ গোস্বামীয়ে তেওঁৰ *অসমীয়া লিপি* (১৯৮৭) শীৰ্ষক গ্ৰন্থখনত উল্লেখ কৰা বক্তব্যখিনি এনে ধৰণৰ — "এই লিপিৰ মূল ব্ৰাহ্মী আৰু তাৰ পৰৱৰ্তী গুপ্ত লিপি। ইয়াক কুটিল লিপিৰ লগত সাঙোৰাৰ কোনো বিশেষ যুক্তি নাই। কুটিল লিপিৰ জন্মকাল ধৰা হয় ষষ্ঠ শতিকাৰপৰা; কিন্তু পঞ্চম শতিকাৰ পৰাই অসমত শিলালিপিৰ নিদৰ্শন বিদ্যমান।"এই মতবাদৰ সমৰ্থক হ'ল বিশ্বেশ্বৰ হাজৰিকা, নাৰায়ণ দাস, সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য আদি। এই প্ৰসংগত সতীশ চন্দ্ৰ ভট্টাচাৰ্য্যই *অসমীয়া লিপিতত্ত্ব অধ্যয়ন* (২০১৩) গ্ৰন্থত মন্তব্য আগবঢ়াইছে যে সৰ্বেশ্বৰ কটকীৰ কিতাপখন প্ৰকাশ পোৱাৰ কেইবছৰমানৰ পিছত অসমত কেইবাখনো নতুন লিপিৰ উদ্ধাৰ হয়। সেইবোৰৰ ভিতৰত— ভূতিবৰ্মাৰ বৰগংগা শিলালিপি (আৱিষ্কাৰ কাল ১৯৩৭ চন), ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসন (১৯৫০), সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালেখ (১৯৫৫) আদি উল্লেখযোগ্য। লগতে, পৰৱৰ্তী সময়ত উদ্ধাৰ হোৱা নগাজৰী খনিকৰ গাঁও শিলালেখ আদিয়ে অসমীয়া লিপি যে কুটিল লিপিৰ পৰা উদ্ভৱ হোৱা নাই, সেয়া প্ৰতিপন্ন কৰে কাৰণ লিপি বিশাৰদসকলে কুটিল লিপিৰ সময় ঠাৱৰ কৰিছে খ্ৰীঃ ৬০০-৯০০ লৈ। আনহাতে, কুটিল লিপিৰপৰা উদ্ভৱ হোৱা বুলি কোৱা বাকীবোৰ ভাষাৰ লিপিৰ গঢ় তথা বিকাশৰ স্তৰসমূহত সেই ভাষাসমূহত দেখা পোৱা গঢ়সমূহ অসমীয়া লিপিত অনুপস্থিত। নাৰায়ণ দাসে আৰু এটি কথা উল্লেখ কৰিছে যে অসমীয়া লিপিৰ বিকাশত নাগৰী লিপিৰ প্ৰভাৱ যে নাই, সেয়া অবিসংবাদী নহয়। এই প্ৰসংগত তেওঁ এচ এন চক্ৰৱৰ্তীয়ে বেংগলী অক্ষৰৰ বিকাশ সম্পৰ্কে লিখা এখন গৱেষণা পত্ৰৰ প্ৰসংগত টানি

আনি কৈছে যে— "পূর্ব ভাৰতীয় বঙলা লিপিৰ বিকাশৰ ক্ষেত্রত উল্লেখ কৰিছিল যে খ্রীষ্টীয় দশম শতাব্দীত বিকাশমান পূর্বভাৰতীয় লিপিৰ ওপৰত নাগৰী লিপিৰ প্রভাৱ পতিত হয় যদিও প্রথম মহীপালৰ ৰাজত্বৰ পৰা আলোচিত লিপিৰ প্রভাৱ টুটি আহে।"

মহেন্দ্র বৰাই অসম সাহিত্য সভাত প্রদান কৰা বাগ্মীবৰ নীলমণি ফুকন স্মাৰক বক্তৃতাত {পৰৱর্তী সময়ত *The Evolution of Assamese Script: Bagmibar Nilmoni Phukan Lectures(1981)* নামেৰে প্রকাশ পাইছিল} বেলেগ এটা মত পোষণ কৰা দেখা যায়। তেওঁ উল্লেখ কৰিছিল এনেদৰে— "Assamese script is a direct descendant of the Brahmi, branching itself off from the so called Gupta alphabet or the Northern Indian Script, which progressed on its way by acquiring for itself certain basic traits of the Kutila Style of writing in course of its journey through the long corridor of history." (p.32)

এই আলোচনাৰ পৰা দেখা গৈছে যে অসমীয়া লিপিৰ উদ্ভৱ সম্পর্কে মতবিৰোধ আছে। তথাপিতো এটা কথা স্পষ্টভাৱে ক'ব পাৰি যে ব্রাহ্মী লিপিৰ পৰিৱর্তন ঘটিয়েই অসমীয়া লিপিৰ সৃষ্টি তথা বিকাশ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *অসমীয়া প্রাচীন লিপি* পুথিখনৰ ৰচক কোন?

.....

.....

১.৬ অসমীয়া লিপিৰ যুগ বিভাজন

সর্বেশ্বৰ কটকীয়ে তেওঁৰ *অসমীয়া প্রাচীন লিপি* গ্রন্থখনতে অসমীয়া লিপিৰ ক্রমবিকশিত ৰূপটোৰ বিষয়ে পোনপ্রথমবাৰৰ বাবে আলোচনা কৰি যুগ বিভাজন কৰিছিল। তেওঁ তেতিয়ালৈকে প্রাপ্ত সমলৰ আধাৰত অসমীয়া লিপিৰ ইতিহাসক দুটা ভাগত ভাগ কৰিছিল— প্রাচীন কালৰ পৰা ত্রয়োদশ শতিকালৈ আৰু ত্রয়োদশ শতিকাৰ পৰা আধুনিক যুগলৈ। কিন্তু পৰৱর্তী কালত লিপি বিশাৰদসকলে অসমীয়া লিপি সম্পর্কে আৱিষ্কৃত তথ্যসমূহ বিবেচনা কৰি নতুনকৈ যুগ বিভাজন কৰাৰ পোষকতা কৰে। বিভিন্নজনে নিজৰ নিজৰ ধৰণে যুগ বিভাজন কৰিছে যদিও উপেন্দ্র নাথ গোস্বামীয়ে তেওঁৰ *অসমীয়া লিপি* গ্রন্থত কৰা যুগ বিভাজনটোৰেই বিজ্ঞানসম্মত বুলি পৰৱর্তী কালৰ লিপি বিশাৰদসকলে মানি চলে। তেওঁৰ বিভাজনটো এনে ধৰণৰ—

- পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি (খ্রীষ্টীয় চতুর্থ-পঞ্চম শতিকাৰ পৰা ত্রয়োদশ শতিকালৈ)
- মধ্যযুগীয় অসমীয়া লিপি (খ্রীষ্টীয় ত্রয়োদশ শতিকাৰ পাছৰ পৰা ঊনবিংশ শতিকাৰ

মাজভাগলৈ, অর্থাৎ ছপা গ্রন্থ ওলোৱালৈকে), আৰু

- আধুনিক অসমীয়া লিপি (ঊনবিংশ শতিকাৰ আদিছোৱাৰ পৰা বর্তমানলৈ)

উপেন্দ্র নাথ গোস্বামীয়ে গ্রন্থখন ৰচনা কৰাৰ সময়লৈকে বিবেচনা কৰিয়েই এই তিনিটা ভাগত ভাগ কৰিছিল বুলি ধাৰণা কৰাত আমাৰ একো অসুবিধা নহয়। কিন্তু তাৰ পৰৱর্তী সময়ত কম্পিউটাৰ তথা ইণ্টাৰনেটৰ প্রচলনৰ লগে লগে অসমীয়া লিপিও সেইবোৰত সংযোজিত হয়। সেয়ে গোস্বামীয়ে কৰা বিভাজনটোৰ প্রথম দুটা ভাগ একেই ৰাখি তৃতীয়টো ভাগৰ সময়সীমা "ঊনবিংশ শতিকাৰ আদিছোৱাৰ পৰা একবিংশ শতিকাৰ প্রথম দশকলৈ" বিবেচনা কৰিব পাৰি। তাৰ পৰৱর্তী সময়ছোৱাক আৰু এটা ভাগ সংযোজন কৰি — "ডিজিটেল মাধ্যমত অসমীয়া লিপি কম্পিউটাৰ তথা ইণ্টাৰনেটত অসমীয়া লিপি" নামেৰে নামাংকিত কৰা যুগুত। তলত এই বিভাজন কেইটাৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১.৬.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি

প্রাচীন অসমীয়া লিপি সম্পর্কে অধ্যয়ন কৰিবলৈ হ'লে সেই সমছোৱাৰ বিভিন্ন শিলালেখ, শাসন বা মোহৰ আদিৰ কথা বিবেচনা কৰিব লাগিব। তলত কালানুক্রমিকভাৱে উল্লিখিত সময়ৰ এনে প্রত্নতাত্ত্বিক সমলৰ বিষয়ে আলোচনা কৰা হ'ল। ১৯৭২ চনত সৰুপথাৰ অঞ্চলৰ খনিকৰ গাঁৱত এখন শিলালিপি উদ্ধাৰ হৈছিল আৰু সেইখনেই পৰৱর্তী সময়ত "নগাজৰী-খনিকৰ গাঁও প্রস্তৰ লিপি" বুলি জনাজাত হয়। প্রথম অৱস্থাত প্রতাপ চন্দ্র চৌধুৰী আৰু দীনেশ চন্দ্র সৰকাৰে ফলিখন সম্পর্কে বিচাৰ-বিবেচনা আগবঢ়াইছিল যদিও পৰৱর্তী সময়ত মুকুন্দ মাধৱ শর্মাই বিস্তৃতভাৱে আলোচনা আগবঢ়ায়। এইখনকেই তেতিয়ালৈকে অসমত আৱিষ্কৃত পুৰণি ফলিৰূপে স্বীকৃতি প্রদান কৰা হৈছিল আৰু তাৰ সময়সীমা নির্ধাৰণ কৰা হৈছিল খ্রীঃ পঞ্চম শতিকাৰ আদিভাগ। পৰৱর্তী সময়ত এই শিলালিপিখনৰ দ্বিতীয় অংশটোও উদ্ধাৰ হয় আৰু তাৰ পাঠোদ্ধাৰ কৰি সৱিশেষ কামৰূপ অনুসন্ধান সমিতিৰ মুখপত্র *Journal of the Assam Research Society*ত প্রকাশ কৰে ধর্মেশ্বৰ চুতীয়াই।

১৯৯৭ চনত হেমেন্দ্র নাথ দত্তই গোলাঘাট জিলাৰে বৰপথাৰ অঞ্চলৰ দুবৰণি গাঁৱত ফণী দেৱনাথ আৰু প্রতাপ দেৱনাথৰ ঘৰৰ পৰা এখন শিলালেখ উদ্ধাৰ কৰে। তেওঁ লিখা তথ্য মতে এইখন ফলি ব্যক্তি দুগৰাকীয়ে ১৯৯৫ চনত নিজ চৌহদত গাঁত খান্দোতে উদ্ধাৰ কৰিছিল। এই ফলিখনৰ বিষয়ে হেমেন্দ্র নাথ দত্তৰ লগতে ধর্মেশ্বৰ চুতীয়ায়ো পৃথকে পৃথকে আলোচনা কৰিছে। এই ফলিখনত বসুন্ধৰ বর্মণ নামৰ ৰজা এজনৰ নাম উল্লেখ আছে। মন কৰিবলগীয়া যে নগাজৰী-খনিকৰ গাঁও প্রস্তৰ লিপিৰ দ্বিতীয়খন লিপিতো এইগৰাকী ৰজাৰ নাম উল্লেখ আছে। এই ফলিখনক সতীশ চন্দ্র ভট্টাচার্যই বর্তমানলৈকে অসমত আৱিষ্কৃত আটাইতকৈ পুৰণি শিলালেখ বুলি মত

আগবঢ়াই এনেদৰে কৈছে—

> এই চমু শিলালেখৰ আলোকচিত্ৰ পৰ্য্যবেক্ষণ কৰাৰ পিছত ইয়াৰ ঐতিহাসিক গুৰুত্বৰ উপৰিও লিপিতাত্ত্বিক তাৎপৰ্য্যৰ বিষয়েও ধাৰণা কৰিব পৰা গৈছে। প্ৰথম কথা, প্ৰাচীন অসমৰ মূল্যবান শিলালেখ নগাজৰী-খনিকৰ গাঁৱৰ প্ৰস্তৰ লিপিৰ দুয়োটা ভাগৰ অক্ষৰৰ লগত বৰ্তমান শিলালিপিৰ আখৰৰ সাদৃশ্য চকুত লগা। সেয়েহে দুৱৰণি শিলালেখক সহজে চতুৰ্থ-পঞ্চম শতিকাত থাপিব পাৰি। দ্বিতীয়তে, ফলিখনৰ ১৬টা অক্ষৰৰ ভিতৰত অ, ক, ত, দ আৰু য আখৰৰ দ্বিতীয় তৃতীয় শতিকাৰ ব্ৰাহ্মী লিপিৰ অক্ষৰৰ লগত সাদৃশ্য দেখা যায়। তৃতীয়তে, বৰ্তমানলৈ প্ৰাপ্ত প্ৰাচীন অসমৰ সকলো শিলালেখৰ অক্ষৰতকৈ আলোচ্যমান নথিৰ আখৰ অধিক মনোহাৰিত্বপূৰ্ণ। ইয়াৰ কলাত্মক বিকাশ চমকপ্ৰদ। চতুৰ্থতে, পুৰণি কামৰূপৰ যিমান নথি বৰ্তমানলৈ আৱিষ্কাৰ হৈছে সিবিলাকৰ প্ৰায় সকলোৰে আৰম্ভণিতে আছে মাংগলিক 'আঞ্জী' চিহ্ন। ইয়াৰ বিপৰীতে দুৱৰণি শিলালিপিৰ আৰম্ভণি সূচিত হৈছে শৈৱ ধৰ্মৰ প্ৰতীক এপাট ত্ৰিশূলেৰে। আটক ধুনীয়া এই ত্ৰিশূলৰ মাজত খোদিত আছে পৰশু কুঠাৰ আৰু তলমূৰত মংগল কলশী। ত্ৰিশূলৰ চিত্ৰ অংকিত থকা বাবে বসুন্ধৰ বৰ্মনক শৈৱধৰ্ম মতত বিশ্বাসী বুলি ধৰাৰ যুক্তি আছে।

প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই ফলিখনৰ বিষয়ে যিবোৰ সমীক্ষা প্ৰকাশ পাইছিল সেয়া গৱেষণাধৰ্মী মুখপত্ৰতহে প্ৰকাশ পাইছিল। গ্ৰন্থৰূপত এই ফলিখনৰ বিষয়ে পোনপ্ৰথমে সমীক্ষা অন্তৰ্ভুক্ত কৰিছে সতীশ চন্দ্ৰ ভট্টাচাৰ্য্যইহে।

চিত্ৰ ১.১ ঃ নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি



উৎস ঃ *অসমীয়া প্ৰাচীন লিপি*, সৰ্বেশ্বৰ কটকী

ইয়াৰ পাছতেই নাম ল'ব লাগিব কামৰূপৰাজ সুৱেন্দ্ৰ বৰ্মনৰ 'উমাচল শিলালেখ'। গৱেষকসকলে এই লিপিখনৰ সময়সীমা নিৰ্ধাৰণ কৰিছে পঞ্চম শতিকাৰ শেষভাগ কাৰণ সুৱেন্দ্ৰ বৰ্মনৰ সময়সীমা নিৰূপিত হৈছে ৪৭০-৪৯৫ খ্ৰীঃ। নগাজৰী-খনিকৰ

গাঁও শিলালেখ আৰু উমাচল শিলালেখ দুখনত উৎকীর্ণ — ক, ত, ন, ব, ম, য আদিৰ ৰূপ গুপ্তশৈলীৰ আখৰেৰে সৈতে একে। এইকেইখন শৈললেখৰ পৰৱর্তী সময়ত ভূতিবর্মাৰ শৈল শাসন, সপ্তম শতিকাৰ ভাস্কৰ বর্মাৰ ডুবি তাম্রশাসন, নিধানপুৰ তাম্রশাসন, নালন্দাত আৱিষ্কৃত মৃণ্ময় মোহৰ আদিৰ মাজত ব্রাহ্মী আৰু গুপ্ত-লিপিৰ আখৰৰ গঢ় লক্ষ্য কৰা যায়। সপ্তম শতিকাৰ আটাইতকৈ উল্লেখযোগ্য নিদর্শন হ'ল ভাস্কৰ বর্মাৰ নিধানপুৰ আৰু ডুবি তাম্রশাসন। ইয়াৰে নিধানপুৰ তাম্রশাসনত কেইবাটাও নতুনত্ব দেখিবলৈ পোৱা যায়— ক, ব, ল আদি আখৰ প্রায় আধুনিক গঢ়ৰ। আনহাতে, 'ভ' অক্ষৰৰ ভিন্নৰূপতা, 'হ' অক্ষৰে দেৱনাগৰীৰ একেটা আখৰৰ ৰূপ গ্রহণ আদিয়ে বিকশিত অসমীয়া লিপিৰ ধাৰণা প্রদান কৰে। এই বাবেই নিধানপুৰ শাসনক অসমীয়া লিপিৰ ইতিহাসৰ এটা "নির্ণায়ক বিন্দু" (Turning Point) বুলি মহেন্দ্র বৰাই মত পোষণ কৰিছে। নাৰায়ণ দাসেও ঠাকুৰ প্রসাদ বর্মাৰ মতামত সন্নিৱিষ্ট কৰি এই লিপিয়ে "এটি ভিন্নশৈলীৰ দ্যোতনা কৰে" বুলি কৈছে।

নৱম শতিকাৰ তাম্রশাসনবোৰৰ লগতে আন আন ঠাইত উৎকীর্ণ আখৰৰ গঢ় পৰিৱর্তন হোৱা দেখিবলৈ পোৱা যায়। মূলতঃ নৱমৰপৰা দশম শতিকাৰ আদিভাগৰ মাজৰ সময়ছোৱাত উৎকীর্ণ আখৰবোৰে আধুনিক অসমীয়া আখৰৰ গঢ় ল'বলৈ আৰম্ভ কৰে। এই সময়ছোৱাৰে পৰা আ-কাৰ, ই-কাৰ আদিৰ গঢ় সম্পূর্ণ পৰিৱর্তিত হয়। ভালেমান ব্যঞ্জনবর্ণ আৰু যুক্ত-ব্যঞ্জনবর্ণই আধুনিকতাৰ কায চাপে। শ্রীকুমাৰৰ ঘণ্টালিপি, হর্জৰ বর্মাৰ তেজপুৰ শিলালেখ, হর্জৰ বর্মাৰ হায়ুংথল তাম্রলেখ, হর্জৰ বর্মাৰ ধূলাপাদূং বাগিচাত আৱিষ্কৃত মুদ্রা, বনমালী বর্মাৰ তেজপুৰ তাম্রলেখ, বনমালী বর্মাৰ পর্বতীয়া তাম্রশাসন, কাকীৰ লিপিসম্বলিত সূর্য্য প্রতিমা, দেওপানী বিষ্ণুমূর্তি লিপি, দেওপানীৰ হৰি-হৰ মূর্তি লিপি, তৃতীয় বলবর্মাৰ উত্তৰ বৰবিল তাম্রশাসন, তৃতীয় বলবর্মাৰ নগাওঁ তাম্রশাসন, তৃতীয় বলবর্মাৰ উলুবাৰী তাম্রশাসন আদিৰ মাজেৰে ক্রমান্বয়ে অসমীয়া লিপিৰ আধুনিক গঢ় ক্রমবিকশিত হয়। এইবোৰত অ, আ, উ, ঊ, এ, ঔ, খ, গ, ঘ, জ, ঞ, ঢ, ত, থ, দ, ন, ফ, ব, ম, য, ল, ষ, স, ৎ আদি স্বৰ আৰু ব্যঞ্জনবর্ণ; ন্দ্র, ত্র, স্ব, ল্ল, গ্ন, ঞ্জ, ঙ্ঘ, ণ্ড আদি যুক্তব্যঞ্জন আৰু কৃ, ৰু, ৰ্দ্ধ আদি আখৰবোৰে আধুনিক গঢ় লাভ কৰিবলৈ ধৰে।

দশমৰ পৰা দ্বাদশ শতিকাৰ উল্লেখযোগ্য অসমীয়া লিপিৰ উৎসসমূহ হ'ল— ৰত্নপালৰ বৰগাঁও আৰু শুৱালকুছি শাসন, ইন্দ্রপালৰ গুৱাহাটী আৰু গুৱাকুছি তাম্রশাসন, গোপাল বর্মাদেৱৰ গছতল তাম্রশাসন, ধর্মপালৰ খনামুখ তাম্রলেখ, ধর্মপালৰ শুভঙ্কৰপাটক শাসন, ধর্মপালৰ পুষ্পভদ্রা তামৰ ফলি। এই শাসনসমূহৰ অক্ষৰৰ গঢ় লক্ষ্য কৰিলে দেখা যায় যে বহু একাকী অক্ষৰ আৰু যুক্তাক্ষৰে আধুনিক গঢ় লাভ কৰিছে। এই ক্ষেত্রত উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি গোপাল বর্মাদেৱৰ গছতল তাম্রশাসনত দেখা পোৱা ঞ, ষ্ণ আদি যুক্তাক্ষৰ আৰু অ, আ, জ, ন, ব, ম, ৰ, ল, ক্ষ আদি একাকী অক্ষৰ।

ত্রয়োদশ শতিকাৰ দুখন উল্লেখযোগ্য শিলালিপি হ'ল— কানাই বৰশীবোৱা তুৰষ্ক ক্ষয়ৰ ফলি আৰু সমুদ্রপালৰ আমবাৰী শিলালিপি। ইয়াৰে দ্বিতীয়খন ফলিৰ আখৰখিনি অস্পষ্ট আৰু জৰাজীর্ণ। আনহাতে, কানাই বৰশীবোৱা শিলালিপিখন ৩৪টা অক্ষৰ সম্বলিত আৰু ইয়াতেই অসমীয়া লিপিয়ে এক নিদিষ্ট গঢ় লাভ কৰা দেখিবলৈ পোৱা যায়। লিপি বিশাৰদসকলে সেইবাবেই এইখন শৈলাসনৰ পৰাই অসমীয়া লিপিয়ে সম্পূর্ণ আৰু স্বতন্ত্র ৰূপত আত্মপ্রকাশ কৰে বুলি মত পোষণ কৰে।

এই আলোচনাৰ পৰা এটা কথা স্পষ্টৰূপে ফুটি উঠিছে যে, চতুর্থ-পঞ্চম শতিকাতে আৰম্ভ হোৱা অসমীয়া লিপিয়ে ক্রমান্বয়ে পৰিৱর্তনৰ মাজেৰে আহি ত্রয়োদশ শতিকাৰ আৰম্ভণিৰ কানাই বৰশীবোৱা তুৰষ্ক ক্ষয়ৰ শিলৰ ফলিত ১১২৭ শক অর্থাৎ ইংৰাজী ১২০৫ চনত এটা সুকীয়া ৰূপ পৰিগ্রহ কৰি এক স্বতন্ত্র লিপিৰূপে আত্মপ্রকাশ কৰে। নাৰায়ণ দাসে খ্রীষ্টীয় চতুর্থ শতিকাৰ পৰা সপ্তম শতিকাৰ কালছোৱাৰ অসমীয়া লিপিৰ "অৱস্থানান্তৰৰ কাল" (Period of Transition), অষ্টমৰ পৰা দশম শতিকাৰ কালছোৱাক "পৰীক্ষা-নিৰীক্ষাৰ কাল' (Period of Experiments), একাদশ-দ্বাদশ শতিকাৰ কালছোৱাক "দ্রুত বিকাশৰ কাল" (Period of Accelerated Development) আৰু ত্রয়োদশ শতিকাক (অর্থাৎ কানাই-বৰশীবোৱা শিলালিপিৰ সময়লৈকে) "পৰিপূর্ণতাৰ কাল" (Period of Maturity) বুলি মত পোষণ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া লিপিৰ কোন লিপিৰ পৰা বিকাশ সাধন হৈছে ?

.....

প্রশ্ন নং ৫ ঃ খালি ঠাই পূৰণ কৰক—

(ক) অসমীয়া লিপিৰ ক্রমবিকাশৰ ধাৰাটিক প্রধানতঃ.....ভাগত ভাগ কৰা হৈছে।

(খ) ..... চনত নগাজৰী খনিকৰ গাঁৱৰ লিপিখনি উদ্ধাৰ হয়।



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্রতীক-চিহ্ন অথবা ৰেখাচিত্রৰ সহায়ত ৰূপ দিয়া হয় তাৰ নামেই লিপি। খ্রীঃপূঃ ছ-হাজাৰ বছৰমানত লিপিৰ প্রাৰম্ভিক বিকাশ হোৱা বুলি অনুমান কৰা হৈছে। প্রাচীন ভাৰতীয় লিপিমালাই প্রধানতঃ খৰোষ্ঠী আৰু ব্রাহ্মী এই দুই শাখাৰ মাজেৰে বিকাশ লাভ কৰিছিল।

- পূব ভাৰতৰ এটা স্বতন্তৰীয়া লিপি হ'ল অসমীয়া লিপি। ব্ৰাহ্মী লিপিৰ পৰাই এই লিপিয়ে বিকাশ লাভ কৰিছে বুলি কোৱা হয়। অসমত খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰাই লিপিৰ নিদৰ্শন পোৱা গৈছে।
- খ্ৰীষ্টীয় পঞ্চম শতিকাৰপৰা আৰম্ভ কৰি পৰৱৰ্তী কালত পোৱা বিভিন্ন শিলালেখ আৰু তামৰ ফলিৰ লিপিৰ অধ্যয়নে এই কথা স্পষ্টভাৱে দেখুৱাই দিয়ে যে অসমীয়া লিপি অসমৰ শিলালেখ আৰু তামৰ ফলিবোৰত ব্যৱহৃত লিপিৰ বিকাশপ্ৰাপ্ত এটা ৰূপ। অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোক কেনেদৰে বিভাজিত কৰিব পাৰি সেই বিষয়ে বহলাই আলোচনা কৰাৰ লগতে ইয়াৰে প্ৰথমটো ভাগ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি সম্পৰ্কে অধ্যায়টিত বহলাই আলোচনা কৰা হ'ল।



১.৮ অধিক জানিবলৈ

অসমীয়া আৰু বাংলা গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (১৯৭৯); *অসমীয়া প্ৰাচীন লিপি;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশন।

২) গোস্বামী, উপেন্দ্ৰনাথ (১৯৮৭); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) চৌধুৰী, সোণাৰাম (১৯৩১); *অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ;* শিৱসাগৰ ঃ অসম সাহিত্য সভা।

৪) দাস, নাৰায়ণ (১৯৯৭); *বিশ্বলিপিৰ ভূমিকা;* গুৱাহাটী ঃ ডেকো পাবলিকেচনচ্।

৫) নেওগ, মহেশ্বৰ (১৯৭৪); *প্ৰাচ্য- শাসনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৬) নেওগ, মহেশ্বৰ (১৯৮৭); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) নেওগ, ডিম্বেশ্বৰ (১৯৫৭); *অসমীয়া সাহিত্যৰ ইতিহাস;* গুৱাহাটী ঃ শুৱনি প্ৰকাশ।

৮) ভট্টাচাৰ্য্য, পদ্মনাভ (১৯৩১); *কামৰূপ শাসনাৱলী;* ৰংপুৰ ঃ ৰংপুৰ সাহিত্য পৰিষদ।

৯) ভট্টাচাৰ্য্য, সতীশ চন্দ্ৰ (২০১৩); *অসমীয়া লিপিতত্ত্ব অধ্যয়ন;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) শৰ্মা, সত্যেন্দ্ৰ নাথ (১৯৮৭); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সীমাৰ প্ৰকাশ।

১১) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); "অসমীয়া লিপিৰ বুৰঞ্জীৰ চমু আভাস"; ব্ৰহ্ম, শোভাৰ মুখ্য সম্পাঃত প্ৰকাশিত *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড)* (পৃ.২১০-২২৫); গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১২)Bora, M (1981). *The Evolution of Assamese Script: Bagmibar Nilmoni Phukan Lectures.* Jorhat: Asam Sahitya Sabha.

১৩)Choudhury. P.C. (1966). *The History of Civilisation of the people of Assam to the Twelfth Century AD*. Gauhati: Deptt. of Historical and Antiquarian Studies in Assam.

১৪) Choudhury, P.C. (1961). *A Catalogue of Sanskrit Manuscripts at the DHAS.* Gauhati: Dept. of Historical and Antiquarian Studies in Assam.

১৫)Goswami. H. C. (1930). *Descriptive Catalogue of Assamese Manuscripts.* Calcutta: University of Calcutta.

১৬)Neog, D, (1964). *Growth of the Asamiya Language Development of the Asamiya Script Pre-Historic and Historic Asam*. Guwahati: Xuwani Prakash.

১৭)Neog, M (1981). *Tradition and Style*. Jorhat: Asam Sahitya Sabha.

১৮)Sharma M. M. (1978). *Inscriptions of Ancient Assam*. Guwahati: Gauhati University.

১৯)Verma, T. P. (1976). *Development of Script in Ancient Kamarupa.* Jorhat: Asam Sahitya Sabha."

১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) অশুদ্ধ ঘ) অশুদ্ধ ঙ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰতীক চিহ্ন বা ৰেখা চিহ্ন খ) ৬ টা গ) খ্ৰীঃ পূঃ পঞ্চম শতিকা ঘ) গুপ্ত লিপিৰ পৰা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বেশ্বৰ কটকী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ গুপ্তকালীন ব্ৰাহ্মী লিপিৰ উত্তৰ ভাৰতীয় পূৰ্বী শাখাৰ পৰা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ক) তিনিটা খ) ১৯৭২



১.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) খৰোষ্ঠী লিপিয়ে কেতিয়া বিকাশ লাভ কৰে?

খ) আধুনিক অসমীয়া লিপিৰ কাল কেতিয়া আৰম্ভ হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

(ক) ব্ৰাহ্মী লিপি (খ) খৰোষ্ঠী লিপি

(গ) কুটিল লিপি

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া লিপিৰ যুগ বিভাজন কিদৰে কৰা হৈছে? প্ৰতিটো ভাগৰে বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

*** ***** ***